# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-01-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। আজি পহিলা মাঘ। পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ আৰু ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম।

২। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীৰ দেশৰ লগতে বিদেশৰ আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়ীক সাক্ষাৎ।

৩। সেনা বাহিনীৰ লোকসকলে দেশৰ বাবে কৰা সৰ্বোচ্চ ত্যাগক সন্মান জনোৱাৰ বাবে আজি দেশজুৰি সেনা বাহিনী দিৱস পালন।

৪। ৰাজ্যৰ পৰ্যটন খণ্ডই ২০২৫ বৰ্ষত অগ্ৰগতি লাভ কৰিব বুলি ৰাজ্য চৰকাৰৰ আশা প্ৰকাশ।

**আৰু**

৫। গুজৰাটত হ'বলগীয়া তিনিখনীয়া এদিনীয়া শৃংখলাৰ অন্তিমখন খেলত আজি ভাৰতীয় মহিলা ক্ৰিকেট দল আৰু আয়াৰলেণ্ড মুখামুখি। ০০০০০০

০০০০০০

আজি পহিলা মাঘ। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজিও ভোগালী বিহু উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰ তথা ধৰ্মীয় স্থানসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰিছে। তদুপৰি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে ঠায়ে ঠায়ে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**শিৱসাগৰ** জিলাত আজি পহিলা মাঘৰ দিনা শিৱদৌল, দেৱীদৌলকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহত বহুলোকৰ সমাগম হৈছে। তদুপৰি ঠায়ে ঠায়ে পৰম্পৰাগত খেল-ধেমালি, পিঠা-পনা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। জনসাধাৰণে আজি মাঘৰ প্ৰথম দিনা নিমন্ত্ৰিত অতিথি আৰু অভ্যাগতক সুস্বাদু খাদ্যৰে আপ্যায়ন কৰিব। মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱালৈ আজি পুৱাৰে পৰা দূৰ-দূৰণিৰ বহু ভক্তৰ আগমন হৈছে। পহিলা মাঘ উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে ধৰ্মীয় স্থানসমূহলৈ গৈ নেদেখাজনৰ আশিস লোৱাৰ পৰম্পৰা অক্ষুণ্ণ ৰখাৰ দিহা কৰিছে।

হিন্দু-মুছলমান আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিবেণীসংগম ৰূপে খ্যাত কামৰূপ জিলাৰ তীৰ্থনগৰী **হাজোত** আজি পহিলা মাঘ উপলক্ষে বিশেষ গ্ৰহণ কৰা হৈছে। এই উপলক্ষে হাজো অঞ্চলত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। উল্লেখযোগ্য যে প্ৰতিবছৰে পহিলা মাঘৰ দিনটোত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ লগতে অন্য ধৰ্মীয় স্থানসমূহ দৰ্শন কৰিবলৈ অগণন লোকৰ সমাগম হয়।

**গোৱালপাৰা** জিলাৰ শলমাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীশ্যামা কালী মন্দিৰতো আজি পুৱাৰে পৰা বহু ভক্তৰ সমাগম হৈছে।

**বৰপেটা** জিলাত কালিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত কালি উৰুকা তথা স্থানীয় ভাষাত **গাতা ৰখা** উদযাপন কৰা হয়। জিলাখনত আজি মেজি জ্বলোৱা হৈছে। নিয়ম অনুসৰি আজি বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছতহে সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজি জ্বলোৱা হয়। সত্ৰনগৰীখনত মাঘ বিহুৰ পৰম্পৰা সম্পৰ্কে জানিবলৈ আমি এতিয়া পোনে পোনে যাওঁ আহক আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ ওচৰলৈ-

**ভইচ (অৰূপজ্যোতি মহন্ত)**

বৰপেটা জিলাৰ সৰভোগৰ শ্ৰীশ্ৰীগৰখীয়া গোসাঁই থানতো পৰম্পৰাগতভাৱে মাঘ বিহু পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত থানখনত আজি দূৰ-দূৰণিৰ অনেক লোক সমবেত হৈ গৰখীয়া গোসাঁইলৈ সেৱা আগবঢ়ায়। বাক্সা জিলাৰ বিভিন্ন ঠাইত মাঘ বিহু উপলক্ষে আকৰ্ষণীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জিলাখনৰ কাৰহানাৰ শ্ৰীশ্ৰীকৃষ্ণ সত্ৰত কালিৰে পৰা তিনিদিনীয়াকৈ মাঘ বিহু উৎসৱ উদযাপন কৰা হৈছে।

একেদৰে গুৱাহাটী মহানগৰীৰ ধৰ্মীয় স্থানসমূহতো অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে। কামাখ্যা মন্দিৰ, বশিষ্ঠ মন্দিৰ, দৌলগোবিন্দ মন্দিৰ, উমানন্দ, শুক্ৰেশ্বৰ দেৱালয়কে ধৰি ধৰ্মীয় স্থানসমূহত আজি পুৱাৰে পৰা বহুলোক সমবেত হৈছে।

০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীয়ে দেশৰ লগতে বিদেশৰ আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়ীক সাক্ষাৎ কৰি অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এই সন্মিলনলৈ আমন্ত্ৰণ জনায়। এই উদ্দেশে মালয়েছিয়ালৈ যোৱা ৰাজ্যৰ তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কুৱালালামপুৰত মালয়েছিয়াৰ ডিজিটেল মন্ত্ৰী গোবিন্দ সিং দেউ আৰু ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাক সাক্ষাৎ কৰে। ইয়াৰ পাছত তেওঁ ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাৰ সৈতে অসম আৰু মালয়েছিয়াৰ মাজত তথ্য প্ৰযুক্তি খণ্ডত সহযোগিতা আৰু সমৰ্থন সন্দৰ্ভত বৈঠকত মিলিত হয়। বৈঠকত অত্যাধুনিক তথ্য প্ৰযুক্তি আৰু ছফ্‌টৱেৰ, ডাটা সুৰক্ষা, চাইবাৰ নিৰাপত্তা আদিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত মন্ত্ৰীগৰাকীয়ে কুৱালালামপুৰৰ পুত্ৰজায়াত মালয়েছিয়া চৰকাৰৰ পৰ্যটন, কলা আৰু সংস্কৃতি উপ-মন্ত্ৰী খাইৰুল ফিৰদোছ আকবৰ খানক সাক্ষাৎ কৰে। তেওঁ লগতে দেশখনৰ বিনিয়োগ, বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ উপ-মন্ত্ৰী লিউ চিন টঙক সাক্ষাৎ কৰি অসমত ছেমি কণ্ডাক্টৰ খণ্ডৰ বিকাশৰ ক্ষেত্ৰত মালয়েছিয়াৰ সহায়, সমৰ্থনৰ বাবে অনুৰোধ জনায়। উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আন্তঃৰাষ্ট্ৰীয় প্ৰচাৰৰ বাবে তিনিদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যোৱা মন্ত্ৰী কেশৱ মহন্তই ভ্ৰমণৰ অন্তিম দিনা দেশখনৰ বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলক এই শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়। এই সময়ছোৱাত মন্ত্ৰীগৰাকীক মালয়েছিয়াত থকা ভাৰতৰ উপ-উচ্চায়ুক্ত সুভাসিনী নাৰায়ণন, অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ সচিব ডাঃ এছ্ লক্ষ্মনন, ভাৰতৰ উচ্চ আয়োগৰ বাণিজ্য সচিব ড০ অৰবিন্দকে ধৰি আন কেইবাগৰাকী ব্যক্তিয়ে সংগ দিয়ে।

মন্ত্ৰী বিমল বৰাই সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত এই সন্মিলনৰ বাবে প্ৰচাৰ আৰু বিনিয়োগৰ বাবে আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়ীক আমন্ত্ৰণ জনায়। আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰী বৰাই ডুবাইৰ ডি পি ৱৰ্ল্ড পৰিদৰ্শন কৰি ট্ৰান্সৱৰ্ল্ড গ্ৰুপৰ অধ্যক্ষ ৰমেশ এছ ৰামকৃষ্ণননক সাক্ষাৎ কৰে। ট্ৰান্সৱৰ্ল্ড গ্ৰুপ হৈছে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় শ্বিপিং আৰু লজিষ্টিকছ সংস্থা। এই সংস্থাৰ অংশীদাৰিত্বৰ দ্বাৰা অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সম্পদ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০০

সেনা বাহিনীৰ লোকসকলে দেশৰ বাবে কৰা সৰ্বোচ্চ ত্যাগক সন্মান জনোৱাৰ বাবে আজি দেশজুৰি সেনা বাহিনী দিৱস পালন কৰা হৈছে। এই দিনটোৰ উদযাপনে ভাৰতীয় সেনা বাহিনীৰ অসীম সাহস, দেশৰ প্ৰতি কৰ্তব্যনিষ্ঠা আৰু মাতৃভূমিৰ প্ৰতি সেৱাৰ মনোভাৱকে প্ৰতিফলিত কৰে। ১৯৪৯ চনত অন্তিম গৰাকী ব্ৰিটিছ সেনাৰ মুৰব্বীৰ পৰা ভাৰতীয় সেনাৰ তেতিয়াৰ জেনেৰেল কে এম কেৰিয়াপ্পাই দায়িত্বভাৰ গ্ৰহণ কৰি ভাৰতীয় সেনা বাহিনীৰ প্ৰথমগৰাকী মুৰব্বী হিচাপে পৰিগণিত হোৱা দিনটোৰ সোঁৱৰণত আজি এই দিৱস পালন কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সেনা বাহিনী দিৱস উপলক্ষে ভাৰতীয় সেনা বাহিনীৰ বিষয়া-জোৱানসকলৰ লগতে তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে অদম্য সাহস আৰু কৰ্তব্যনিষ্ঠাৰ নিদৰ্শনেৰে ভাৰতীয় সেনা বাহিনী বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সেনা বাহিনীৰূপে পৰিগণিত হৈছে। ভাৰতীয় সেনা জোৱানসকলে অত্যন্ত প্ৰতিকূল পৰিস্থিতিতো নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে বুলি মন্তব্য কৰে। তেওঁ লগতে দেশৰ বাবে জীৱন উৎসৰ্গা কৰা সেনা জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্যৰ পৰ্যটন খণ্ডই ২০২৫ বৰ্ষত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিব বুলি পৰ্যটন বিভাগে আশা প্ৰকাশ কৰিছে। বিগত সময়ছোৱাত এইক্ষেত্ৰত লাভ কৰা সফলতাৰ লগতে পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ ভিত্তিত বিশ্ব পৰ্যটন খণ্ডত অসম অধিক গুৰুত্বপূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। শেহতীয়া কেইটামান বছৰত ৰাজ্যখনলৈ পৰ্যটকৰ আগমনৰ হাৰ বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে পৰ্যটন বিভাগে আন দেশত ৰোড শ্ব'ৰ আয়োজনকে ধৰি একাধিক পদক্ষেপ গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে।

তথ্য অনুসৰি যোৱা বিত্তীয় বৰ্ষত প্ৰায় ৭৮ লাখ পৰ্যটকে অসম ভ্ৰমণ কৰিছে আৰু ইয়াৰ মাজত ২৬ হেজাৰ গৰাকী বিদেশী পৰ্যটক আছিল। চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিটা মাহত ১ লাখ ৬৪ হাজাৰ ৬৩৬ গৰাকী দেশী-বিদেশী পৰ্যটকে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰে বুলিও চৰকাৰী তথ্যত প্ৰকাশ পাইছে। **এডভাণ্টেজ অসম- দুই**ত পৰ্যটন খণ্ডৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ কৰি অসম পৰ্যটন উন্নয়ন নিগমে প্ৰকাশ কৰা মতে ৰাজ্যৰ পৰ্যটন বিভাগৰ তৰফৰ পৰা যোৱা তিনিটা বছৰত কেইবাটাও ৰোড শ্ব'ৰ আয়োজন কৰাৰ লগতে ৩০ খনতকৈ অধিক পৰ্যটন মেলাত অংশ গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে কামাখ্যা মন্দিৰলৈ বৃহৎ সংখ্যক পৰ্যটকৰ আগমন ঘটে। শেহতীয়াকৈ চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাটোও অসম পৰ্যটন খণ্ডৰ বাবে আশাৰ বতৰা হিচাপে বিবেচিত হৈছে। নিউয়ৰ্ক টাইমছ কাকতে প্ৰকাশ কৰা বিশ্বৰ ৫২ খন পৰ্যটন ক্ষেত্ৰৰ তালিকাৰ চতুৰ্থ স্থানত অসমে স্থান লাভ কৰাৰ পৰিপ্ৰেক্ষিতত অসমৰ পৰ্যটন খণ্ডই আহিবলগীয়া সময়ছোৱাত বিশ্বৰ পৰ্যটন মানচিত্ৰত অধিক গুৰুত্ব লাভ কৰিব বুলি নিসন্দেহে আশা কৰিব পাৰি। উল্লেখযোগ্য যে শেহতীয়াকৈ ৰাজ্যখনলৈ ঘৰুৱা পৰ্যটকৰ সমান্তৰালভাৱে বিদেশী পৰ্যটকৰ আগমনৰ হাৰো বৃদ্ধি পাইছে।

০০০০০০০

ভোগালী বিহুৰ দিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষকৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ আঁচনিৰ কথা ঘোষণা কৰে। ৰাজ্য চৰকাৰে কৃষকসকলে আধুনিক কৃষি সঁজুলিৰ লাভ কৰাটো সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ডং শৰ্মাই কালি আজাৰাৰ ৰাণী চাপৰিত উপস্থিত হৈ ব্ৰহ্মপুত্ৰৰ বিস্তীৰ্ণ বালিচৰত অঞ্চলটোৰ কৃষকসকলে কৰা বিভিন্ন খেতি পৰিদৰ্শন কৰি এই দৰে প্ৰকাশ কৰে। তেওঁ কয়, যে কৃষি কাৰ্যত ট্ৰেক্টৰৰ ব্যৱহাৰে কৃষি ক্ষেত্ৰত অধিক লাভজনক কৰি তোলাত সহায় কৰে। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে চাপৰিটোত বাস কৰা কৃষকসকলৰ ভূমি পট্টা আৱণ্টনৰ বাবে পদক্ষেপ ল'ব। চাপৰিটোৰ বাবে ভাবুকি কঢ়িয়াই অনা খহনীয়াৰ সমস্যা সমাধানৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। চাপৰিটোৰ সৈতে সুচল যোগাযোগ ব্যৱস্থা স্থাপনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে দলং নিৰ্মাণৰ সম্ভাৱনীয়তাৰ ওপৰতো অধ্যয়ন কৰিব বুলি উল্লেখ কৰে। নতুন সৌৰশক্তিচালিত পাম্পেৰে সমগ্ৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও ভ্ৰমণকালত ডং শৰ্মাই আশ্বাস দিয়ে। ৰাজ্য চৰকাৰে চাপৰিটোৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে প্ৰয়োজনীয় বিপণন সংযোগ স্থাপনৰ বাবে পদক্ষেপ ল'ব বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ডং শৰ্মাই গড়লস্থিত ব্ৰহ্মপুত্ৰ কলাকৃষ্টি সংঘৰ উদ্যোগত আয়োজিত ভোগালী বিহু উৎসৱ উদযাপনত অংশ লয়। তেওঁ লগতে সদিলাপুৰত নৱনিৰ্মিত দেৱকান্ত ভৱনটো উদ্বোধন কৰে।

০০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাইলৈ পুৱাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ১৭ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰ হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্বৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। উদ্যোক্তাসকলে এই মেলাৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰিছে। এই মেলালৈ মৰিগাঁৱকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোকৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে।

০০০০০০০

অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধ্যকালীন অধিৱেশন পৰহিলৈৰ পৰা ২১ জানুৱাৰীলৈ নলবাৰী জিলাৰ বেলশৰৰ প্ৰখ্যাত বিল্বেশ্বৰ দেৱালয়ৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। চণ্ডীগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই এই অধিৱেশন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস, বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকাৰ কথা। অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰথিতযশা সাংবাদিক কনকসেন ডেকাই 'ৰংগমঞ্চ' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। ২১ জানুৱাৰীৰ মুকলি অধিৱেশনত অভিনেত্ৰী সীমা বিশ্বাস, লেখিকা ৰীতা চৌধুৰী তথা নাট্য সন্মিলনৰ প্ৰাক্তন সভাপতি দুলাল ৰয়কে ধৰি বহুতো গণ্য-মান্য লোক উপস্থিত থাকিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি অব্যাহত আছে। তিনিচুকীয়া জিলা প্ৰশাসনে এইবেলি গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্ল'গান লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দিহা কৰিছে। এই প্ৰতিযোগিতা প্ৰথমে বিদ্যালয় পৰ্যায়ত, ইয়াৰ পাছত খণ্ড পৰ্যায়ত আৰু শেষত জিলা ভিত্তিত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ বিজয়ীসকলক গণৰাজ্য দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব। তিনিচুকীয়াৰ বৰগুৰি আই টি আই খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ মূল কুচ-কাৱাজ অনুষ্ঠানত কেইবাটাও বিভাগৰ পৰা সামাজিক বাৰ্তাবাহক প্ৰতীকপট প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি জিলা প্ৰশাসনে কাৰাগাৰৰ আৱাসী, চিকিৎসালয়ত ভৰ্তি হৈ থকা ৰোগী আৰু বৃদ্ধাশ্ৰমৰ আৱাসীসকলৰ মাজত ফল-মূল আদি বিতৰণ কৰিব।

০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি গুজৰাটৰ ৰাজকোটত হ'বলগীয়া তিনিখনীয়া এদিনীয়া শৃংখলাৰ অন্তিমখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইতিমধ্যে শৃংখলাটোত ২-০ৰ ব্যৱধানেৰে ভাৰতে জয় নিশ্চিত কৰিছে। প্ৰথমখন এদিনীয়াত ভাৰতে আয়াৰলেণ্ডক ৬ উইকেটত পৰাজিত কৰিছিল। দ্বিতীয়খন এদিনীয়াত ভাৰতে ১১৬ ৰাণত জয়লাভ কৰিছিল।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট সংস্থাই বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ বিজয়ী আৰু বিজিত দলৰ বাবে আৰ্থিক পুৰস্কাৰৰ পৰিমাণ ঘোষণা কৰিছে। সেই অনুসৰি এইটো ছিজনৰ চূড়ান্ত খেলখনৰ বিজয়ী দলটোৱে প্ৰায় ১২ কোটি টকাৰ পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে আনটো দলে প্ৰায় ৬ কোটি টকাৰ পুৰস্কাৰ লাভ কৰিব। চলিত বৰ্ষৰ ১৮ জুনত চাউডাম্পট্‌নৰ এজিয়াছ ব'লত এই প্ৰতিযোগিতাৰ ফাইনেল খেলখন খেলোৱা হ'ব।

প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰা দলটোৱে ৩ কোটি ৩৮ লাখ টকা আৰু চতুৰ্থ স্থানৰ দলটোৱে ২ কোটি ৬২ লাখ টকাৰ আৰ্থিক পুৰস্কাৰ লাভ কৰিব। পঞ্চম স্থানৰ দলটোৱে ১ কোটি ৫ লাখ টকাৰ আৰ্থিক সাহায্য লাভ কৰাৰ লগতে অংশগ্ৰহণ কৰা আন দলসমূহে ৭৫ লাখ টকাকৈ আৰ্থিক পুৰস্কাৰ পাব বুলি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট সংস্থাই প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা– ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰৰ বিভিন্ন অঞ্চলত বতৰ শুকান হৈ থকাৰ লগতে অৰুণাচল প্ৰদেশৰ ঠায়ে ঠায়ে পাতলীয়া বৰষুণ হ'ব বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পুৱা আৰু সন্ধিয়াৰ ভাগত ঘন কুঁৱলী ¯পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

০০০০০০০

**সমাপ্ত**